নিশ্চয় তোমালোকৰ ভিতৰত থকা ঈমানো ক্ষয় হয়, যিদৰে তোমালোকে পৰিধান কৰা কাপোৰ ক্ষয় হয়। গতিকে তোমালোকে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰা, তেওঁ যেন তোমালোকৰ অন্তৰত থকা ঈমানক নবীকৰণ কৰি দিয়ে।

আব্দুল্লাহ ইবনু আমৰ ইবনিল আচ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ নিশ্চয় তোমালোকৰ ভিতৰত থকা ঈমানো ক্ষয় হয়, যিদৰে তোমালোকে পৰিধান কৰা কাপোৰ ক্ষয় হয়। গতিকে তোমালোকে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰা, তেওঁ যেন তোমালোকৰ অন্তৰত থকা ঈমানক নবীকৰণ কৰি দিয়ে।
[ছহীহ] [(হাকিম, তাবৰাণী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মুছলিমৰ অন্তৰত থকা ঈমানো পুৰণি হয় তথা দুৰ্বল হয়, যিদৰে এটা নতুন কাপোৰ দীৰ্ঘ দিন ব্যৱহাৰ কৰিলে দুৰ্বল হৈ পৰে। ইয়াৰ অন্যতম কাৰণ হৈছে ইবাদতত অৱহেলা কৰা, পাপকৰ্মত লিপ্ত হোৱা আৰু প্ৰবৃত্তিৰ চাহিদাৰ ফালে মোহিত হৈ থকা। সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দিশ-নিৰ্দেশনা দি কৈছে, আমি যেন আমাৰ ঈমান নবীকৰণ কৰিবলৈ আল্লাহৰ ওচৰত দুআ কৰোঁ, ফৰজ বিধানবোৰ পালন কৰোঁ, লগতে বেছি বেছি জিকৰ-আজকাৰ আৰু ইস্তিগফাৰ পাঠ কৰোঁ।

http://www.sunnah.global/hadeeth/as/show/65020